
জয় গুৰু শঙ্কৰ

# শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতি







# শ্ৰীশ্ৰীকৃষ্ণৰ দৌল-যাত্ৰা মহোৎসৱ-২০২৬

আৰু

# ফাকুৱা উৎসৱ

স্থানঃ শ্ৰীশ্ৰীবটদ্ৰৱা থান

বটদ্ৰৱা (আলিপুখুৰী), নগাঁও (অসম)

তাৰিখ ঃ ১৭, ১৮, ১৯, ২০ আৰু ২১ ফাগুন, ৫৭৭ শঙ্কৰাব্দ

(ইং- ২, ৩, ৪, ৫ আৰু ৬ মাৰ্চ, ২০২৬ খ্ৰীষ্টাব্দ)

প্ৰতি,

মাননীয়/মাননীয়া

শ্ৰীযুত/শ্ৰীযুতা ..............................................................................................

..............................................................................................



# ।। থান বৰ্ণন ।।

জয় জয় বটদ্ৰৱা বৈকুণ্ঠ দুতয়।
সেহি স্থানে নিজ গুৰু ভৈলন্ত উদয়।।
সেহি স্থানে নিজ গুৰু পাতিলন্ত পাট।
ৰাম নাম মহাৰত্ন বেশাইলন্ত হাট।।
মধ্যে পদশিলা স্থিত দক্ষিণে নামঘৰ।
মণিকূট গৃহ বান্ধি ৰহিলা শঙ্কৰ।।
টেম্বুৱনী জান পূৱে শস্যক মাৰিলা।
যোগমায়া শান্তি আনি ধৰক বান্ধিলা।।
দক্ষিণে যাত্ৰাৰ দৌল গুৰুৱে নিৰ্মিলা।
সাতো বৈকুণ্ঠৰ চিহ্ন আঁকিয়া দেখাইলা।।
পশ্চিমে শিলিখা বৃক্ষ হালিয়া আছয়।
তাহাতে আঁউজি গুৰু পুস্তক লিখয়।।
উত্তৰে আকাশী গঙ্গা ভক্তি সৰোবৰ।
মধ্যে ৰাত্ৰি নমাইলন্ত শ্ৰীমন্ত শঙ্কৰ।।
চাৰিফালে চাৰি হাটী মহাভক্ত গণ।
চৈধ্যয় প্ৰসঙ্গ কৰে নামৰ কীৰ্ত্তন।
সেহি থানে নিজ গুৰু কৰিলন্ত বাস।
কহয় পুৰুষোত্তম দাসকো দাস।।

জয় গুৰু শঙ্কৰ

# শ্ৰীশ্ৰীকৃষ্ণৰ দৌল-যাত্ৰা মহোৎসৱ-২০২৬



শ্ৰদ্ধাভাজনেষু,

ভক্তিভৰা সেৱা গ্ৰহণ কৰিব। জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পবিত্ৰ জন্মভূমি দ্বিতীয় বৈকুণ্ঠপুৰী বটদ্ৰৱাত পৰম্পৰা ৰক্ষা কৰি শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতিৰ ব্যৱস্থাপনাত শ্ৰীশ্ৰীকৃষ্ণৰ দৌল যাত্ৰা মহোৎসৱভাগ অহা ১৭, ১৮, ১৯, ২০ আৰু ২১ ফাগুন, ৫৭৭ শঙ্কৰাব্দ (২, ৩, ৪, ৫ আৰু ৬ মাৰ্চ, ২০২৬ খ্ৰীষ্টাব্দ) তাৰিখে পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে।

সেয়েহে দৌল মহোৎসৱৰ সমূহ কাৰ্যসূচীত আপোনাৰ/ আপোনালোকৰ সহায়-সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰা হ'ল। ইতি।

পুনৰ সেৱাৰে—

শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতিৰ হৈ-

শ্ৰীঅম্লানজ্যোতি দেৱগোস্বামী, *সভাপতি*
*সত্ৰাধিকাৰ, শ্ৰীশ্ৰীনৰোৱা সত্ৰ*
শ্ৰীযোগেন্দ্ৰ নাৰায়ণ দেৱমহন্ত, *উপ-সভাপতি*
*সত্ৰাধিকাৰ, শ্ৰীশ্ৰীশলগুৰি সত্ৰ*
শ্ৰীগোবিন চন্দ্ৰ দাস
*কাৰ্যকৰী সভাপতি*

শ্ৰীলাচিত বৰদলৈ
*সাধাৰণ সম্পাদক*
শ্ৰীপ্ৰাঞ্জল হাজৰিকা
শ্ৰীসন্দীপ কলিতা
*সহকাৰী সম্পাদকদ্বয়*
শ্ৰীবদন কলিতা
*ধন ভঁড়ালী*

**শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতি**
**বটদ্ৰৱা (আলিপুখুৰী), নগাঁও ঃ অসম**

# কাৰ্যসূচী

## ১৭ ফাগুন, ৫৭৭ শঙ্কৰাব্দ (ইং ২ মাৰ্চ, ২০২৬) সোমবাৰ

পুৱা ৪-৩০ বজাত ঃ তাল কোবোৱা প্ৰসঙ্গ আৰু মঞ্জিৰা নাম।

পুৱা ৮-০০ বজাত ঃ আইসকলৰ নাম-প্ৰসঙ্গ, খোল-প্ৰসঙ্গ, নাম-প্ৰসঙ্গ আৰু প্ৰসাদ বিতৰণ।

পুৱা ১১-০০ বজাত ঃ চিত্ৰাংকন প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা আৰু ফাকুৱা গীত প্ৰতিযোগিতা।

উদ্বোধক - ড° নমিতা কলিতা, অধ্যক্ষা, বটদ্ৰৱা মহাবিদ্যালয়

সামগ্ৰিক পৰিচালনা - শ্ৰীদিব্যজ্যোতি বৰুৱা

বিয়লি ৩-০০ বজাত ঃ শূন্য পাঠ আৰু বিয়লি প্ৰসঙ্গ।

বিয়লি ৪-০০ বজাত ঃ আইসকলৰ নাম-প্ৰসঙ্গ।

বিয়লি ৫-০০ বজাত ঃ সন্ধ্যা-প্ৰসঙ্গ আৰু তাল কোবোৱা প্ৰসঙ্গ।

সন্ধ্যা ৬-০০ বজাত ঃ গুণমালা আৰু ভটিমা-প্ৰসঙ্গ।

সন্ধ্যা ৬-৩০ বজাত ঃ খোল-প্ৰসঙ্গ আৰু নাম-প্ৰসঙ্গ।

সন্ধ্যা ৭-০০ বজাত ঃ গায়ন-বায়নৰ দ্বাৰা গোসাঁই (শ্ৰীকৃষ্ণৰ মূৰ্তিভাগ) কীৰ্ত্তন ঘৰৰ পৰা উলিয়াই আনি স্নান কাৰ্য সম্পাদন কৰি ৰভাতলত স্থাপন। গায়ন-বায়নৰ 'ৰাম-ধেমালি' পৰিৱেশন। গোসাঁইক গন্ধ তেলেৰে নোৱাই গন্ধ কাৰ্য সম্পাদন।

## ১৮ ফাগুন, ৫৭৭ শঙ্কৰাব্দ (ইং ৩ মাৰ্চ, ২০২৬) মঙ্গলবাৰ

পুৱা ৪-৩০ বজাত ঃ তাল কোবোৱা প্ৰসঙ্গ আৰু মঞ্জিৰা নাম।

পুৱা ৮-০০ বজাত ঃ আইসকলৰ নাম-প্ৰসঙ্গ

পুৱা ১০-৩০ বজাত ঃ খোল-প্ৰসঙ্গ আৰু ভকতৰ নাম-প্ৰসঙ্গ।

বিয়লি ২-০০ বজাত ঃ কৃষ্ণ গোসাঁইৰ আগত গায়ন-বায়নৰ ন-ধেমালি গীত পৰিৱেশন। গোসাঁই সেৱা সম্পন্ন কৰি গোসাঁই মূৰত ফাকু দিয়া উৎসৱ। যাত্ৰীৰ সেৱাৰ সুবিধাৰ বাবে গোটেই নিশা গোসাঁইক ৰভাতলত ৰখা কাৰ্য।

বিয়লি ৩-০০ বজাত ঃ শূন্য পাঠ আৰু বিয়লি প্ৰসঙ্গ।

বিয়লি ৪-০০ বজাত ঃ আইসকলৰ নাম-প্ৰসঙ্গ।

বিয়লি ৫-০০ বজাত ঃ সন্ধ্যা-প্ৰসঙ্গ আৰু তাল কোবোৱা প্ৰসঙ্গ।

সন্ধ্যা ৬-০০ বজাত ঃ গুণমালা আৰু ভটিমা প্ৰসঙ্গ।
(দুই সত্ৰৰ ভক্তসকলৰ পদূলিত এগছিকৈ বন্তি প্ৰজ্বলন।)

সন্ধ্যা ৬-৩০ বজাত ঃ খোল-প্ৰসঙ্গ আৰু নাম-প্ৰসঙ্গ।

সন্ধ্যা ৬-৪৫ বজাত ঃ শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ নাটঘৰত আৰু দৌল মন্দিৰ প্ৰাঙ্গণত বিভিন্ন স্থানৰ পৰা অহা নামতীসকলৰ দ্বাৰা নাম পৰিৱেশন।

সন্ধ্যা ৭-০০ বজাত ঃ সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান

স্থান - আই খেৰসূতি সাংস্কৃতিক মঞ্চ

(আকাশী গঙ্গাৰ তীৰ)

বন্তি প্ৰজ্বলক ঃ মাননীয় শ্ৰীযুত অম্লানজ্যোতি দেৱগোস্বামী সত্ৰাধিকাৰ, শ্ৰীশ্ৰীনৰোৱা সত্ৰ।

সভাপতি শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতি।

সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধক ঃ ড° অশোক কুমাৰ বৰা, উপাচাৰ্য,

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, নগাঁও।

ঃ স্মৃতিগ্ৰন্থ ‘দৌল’ উন্মোচন

উন্মোচক ঃ শ্ৰীযুত হৃষিকেশ গোস্বামী, বিশিষ্ট লেখক।

বিশিষ্ট অতিথি ঃ শ্ৰীযুত জ্যোতিপ্ৰসাদ দাস, প্ৰধান সচিব, একশৰণ ভাগৱতী সমাজ, অসম।

## সত্ৰীয়া নৃত্যানুষ্ঠান আৰু অংকীয়া নাট

### নাটক - পাৰিজাত হৰণ

পৰিৱেশক - মণিকাঞ্চন কলা কেন্দ্ৰ, নগাঁও

পৰিচালক - শ্ৰীযুত কেহুৰাম বৰা

**১৯ ফাগুন, ৫৭৭ শঙ্কৰাব্দ (ইং ৪ মাৰ্চ, ২০২৬) বুধবাৰ**

পুৱা ৪-৩০ বজাত ঃ তাল কোবোৱা প্ৰসঙ্গ আৰু মঞ্জিৰা নাম।

পুৱা ৮-৩০ বজাত ঃ আইসকলৰ নাম-প্ৰসঙ্গ।

পুৱা ১০-৩০ বজাত ঃ খোল প্ৰসঙ্গ আৰু ভকতৰ নাম-প্ৰসঙ্গ।

বিয়লি ২-৩০ বজাত ঃ গায়ন-বায়নৰ দলে গোৱা-বোৱা কৰি সু-সজ্জিত আসনত কৃষ্ণ গোসাঁইক ৰভাতলৰ পৰা উলিয়াই ভকত-বৈষ্ণৱ, আইসকল আৰু থলুৱা ভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক সমাহাৰেৰে দৌল মন্দিৰলৈ যাত্ৰা। দৌল মন্দিৰত গোসাঁইক লৈ সেৱা, ফাকু খেলা আৰু ৰং-ধেমালি কৰাৰ অন্তত গোসাঁইক বটদ্ৰৱা শ্ৰীশ্ৰীনৰোৱা সত্ৰ আৰু শ্ৰীশ্ৰীশলগুৰি সত্ৰৰ অন্তৰ্ভুক্ত গাঁৱত প্ৰদক্ষিণ কৰি দুই সত্ৰৰ সত্ৰাধিকাৰৰ গৃহত প্ৰৱেশ আৰু পৰম্পৰাগত নিয়ম অনুসৰি পূজা-অৰ্চনা আৰু সেৱা সৎকাৰ।

বিয়লি ৫-০০ বজাত ঃ গোসাঁইক লৈ কীৰ্ত্তন ঘৰলৈ প্ৰত্যাৱৰ্তন। কীৰ্ত্তন ঘৰৰ সিংহদ্বাৰেদি কীৰ্ত্তনঘৰত প্ৰৱেশ কৰাই গোসাঁই ফুৰোৱা উৎসৱৰ সামৰণি।

সন্ধ্যা ৬-০০ বজাত ঃ দুই সত্ৰৰ ভক্তসকলৰ পদূলিত এগছিকৈ বন্তি প্ৰজ্বলন।

সন্ধ্যা ৭-০০ বজাত ঃ সত্ৰীয়া আৰু জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান।

| | | |
|---|---|---|
| স্থান | - | আই খেৰসুতি সাংস্কৃতিক মঞ্চ (আকাশীগঙ্গাৰ তীৰ।) |
| বন্তি প্ৰজ্বলক | - | মাননীয় শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত,সত্ৰাধিকাৰ, শ্ৰীশ্ৰীশলগুৰি সত্ৰ, উপ-সভাপতি, শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতি। |
| উদ্বোধক | - | মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী, অসম। |
| বিশিষ্ট অতিথি | - | মাননীয় শ্ৰীযুত কেশৱ মহন্ত, ৰাজহ মন্ত্ৰী, অসম।<br>মাননীয় শ্ৰীযুত পীযুষ হাজৰিকা, জলসম্পদ মন্ত্ৰী, অসম।<br>মাননীয় শ্ৰীযুত ৰূপক শৰ্মা, বিধায়ক, নগাঁও-বটদ্ৰৱা সমষ্টি।<br>মাননীয় শ্ৰীযুত দীপ্লু ৰঞ্জন শৰ্মা, বিধায়ক, চামগুৰি সমষ্টি।<br>মাননীয় শ্ৰীযুত জিতু গোস্বামী, বিধায়ক, বড়মপুৰ সমষ্টি।<br>মাননীয় শ্ৰীযুত শশীকান্ত দাস, বিধায়ক, ৰহা সমষ্টি।<br>মাননীয় শ্ৰীযুত ৰমাকান্ত দেউৰী, বিধায়ক, মৰিগাঁও সমষ্টি।<br>মাননীয় শ্ৰীযুত দেৱাশীষ শৰ্মা, জিলা আয়ুক্ত, নগাঁও।<br>মাননীয় শ্ৰীযুত স্বপ্ননীল ডেকা, জ্যেষ্ঠ আৰক্ষী অধীক্ষক, নগাঁও। |

## সত্ৰীয়া নৃত্য আৰু বিভিন্ন জাতি জনগোষ্ঠীৰ বৰ্ণিল সাংস্কৃতিক অনুষ্ঠান।

**২০ ফাগুন, ৫৭৭ শকৰাব্দ (ইং ৫ মাৰ্চ, ২০২৬) বৃহস্পতিবাৰ**

| | | |
|---|---|---|
| পুৱা ৪-৩০ বজাত | ঃ | শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ নৃত্য নৈমিত্তিক ১৪ প্ৰসঙ্গ চলি থাকিব আৰু যাত্ৰীৰ থান সেৱা অব্যাহত থাকিব। |
| সন্ধ্যা ৭-০০ বজাত | ঃ | সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান |
| বন্তি প্ৰজ্বলক | - | মাননীয় শ্ৰীযুত নিত্যানন্দ দেৱগোস্বামী, সত্ৰাধিকাৰ, শ্ৰীশ্ৰীনৰোৱা কুঁজি সত্ৰ। |
| উদ্বোধক | - | মাননীয় শ্ৰীযুত জনাৰ্দন দেৱগোস্বামী, সত্ৰাধিকাৰ, শ্ৰীশ্ৰীউত্তৰ কমলাবাৰী সত্ৰ, মাজুলী। |
| বিশিষ্ট অতিথি | ঃ | মাননীয় শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকা, পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ।<br>মাননীয় শ্ৰীযুত ৰিজু পাঠক মহন্ত, সত্ৰাধিকাৰ, শ্ৰীশ্ৰীউত্তৰ বেতনা শঙ্কৰদেৱ সত্ৰ।<br>মাননীয় শ্ৰীযুত কুসুম কুমাৰ মহন্ত, সম্পাদক প্ৰধান, অসম সত্ৰ মহাসভা। |

## সত্ৰীয়া নৃত্যানুষ্ঠান আৰু ভাওনা

নাটক - **দুৰ্যোধনৰ উৰু ভঙ্গ**

পৰিৱেশক - নক্ষত্ৰ সাংস্কৃতিক কেন্দ্ৰ, নগাঁও

পৰিচালক - শ্ৰীযুত উৎপল কলিতা


**২১ ফাগুন, ৫৭৭ শকৰাব্দ (ইং ৬ মাৰ্চ, ২০২৬) শুক্ৰবাৰ**

ৰঙৰ হাট ঃ ৰাতি ১০-০০ বজালৈ থান যাত্ৰীৰ সেৱাৰ বাবে কীৰ্ত্তন ঘৰৰ দ্বাৰ মুকলি থাকিব।








শ্ৰীমন্ত শঙ্কৰদেৰ আৱিৰ্ভাৱ ক্ষেত্ৰ

